بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৯ চেপ্তেম্বৰ ২০২২ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন) ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ খলিফা ৰাশেদ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ জীৱনী আৰু গুণাৱলীৰ ঈমান উদ্দীপক ঘটনাসমূহ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় হজৰত আবু বক্কৰ (ৰাঃ)ৰ জীৱনৰ কিছু ঘটনাৱলী বৰ্ণনা কৰিম। যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)ৰ মৃত্যু কাষ চাপি আহে তেতিয়া তেখেত (ৰাঃ)য়ে হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ)ক মাতি কয় মোক উমৰ (ৰাঃ)ৰ বিষয়ে কোৱা তেতিয়া তেওঁ কয়, হে ৰছুলুল্লাহ (ছাঃ)ৰ খলিফা, আল্লাহ শপত ! আপোনাৰ যি ৰায় আছে তাতোকৈ অধিক উত্তম ৰায় তেওঁৰ, তাৰ বাহিৰে যে তেখেতে শাৰীৰিক ক্ষেত্ৰত কঠোৰতা প্ৰয়োগ কৰে। হজৰত আবু বক্কৰ (ৰাঃ)য়ে কয় যে কঠোৰতা এই কাৰণে প্ৰয়োগ কৰে কাৰণ তেওঁ মোৰ মাজত কোমলতা দেখে। আমাৰত যদি তেওঁৰ অধীনস্থ কৰা হয় তেতিয়া তেওঁ বহু কথা যি তেওঁৰ মাজত পোৱা যায় সেই সমূহ এৰি দিব। তাৰ পিছত তেখেত (ৰাঃ)য়ে হজৰত উছমান বিন আফ্‌ফান (ৰাঃ)ক মাতিলে আৰু তেওঁৰ পৰা হজৰত উমৰ (ৰাঃ)ৰ বিষয়ে সুধিলে, হজৰত উছমান (ৰাঃ)য়ে কলে যে তেওঁৰ অন্তৰ বাহ্যিকতাতকৈ অধিক উত্তম আৰু আমাৰ মাজত তেওঁৰ নিচিনা আন কোনোবা নাই। ইমানখিনি শুনাৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ)য়ে উভয় চাহাবাক কয় যে যি কিছু মই তোমালোকৰ দুজনক কলো সেইবোৰ অইন কোনোবাক নক'বা। যদি মই উমৰক এৰি দিওঁ তেন্তে মই উছমানতকৈ আগত নাযাওঁ আৰু তেওঁৰ এই কৰ্তৃত্ব থাকিব যে তেওঁ তোমাৰ বিষয় সম্বন্ধে কোনো কুটিলতা নকৰিব। এতিয়া মোৰ এই ইচ্ছা যে মই তোমালোকৰ বিষয়ৰ পৰা পৃথক হৈ যাওঁ আৰু তোমালোকৰ পুৰ্বৱৰ্তীসকলৰ মাজৰ হৈ যাওঁ।

হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত তালহা বিন উবেয়দুল্লাহ (ৰাঃ)ক হজৰত উমৰ (ৰাঃ)ক খলিফা নিৰ্বাচন কৰাত সংৰক্ষণ সম্বন্ধে কয়, তুমি মোক আল্লাহৰ প্ৰতি ভীত কৰোৱা ? যেতিয়া মই নিজৰ প্ৰভুৰ সৈতে সাক্ষাৎ কৰিম তেতিয়া সেইজনাই মোক সুধিব আৰু মই উত্তৰ দিম যে মই তোমাৰ ভৃত্যৰ মাজত উত্তমজনক তোমাৰ ভৃত্যৰ মাজত খলিফা বনাইছোঁ।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ৰ নাম মনোনীত কিয় কৰিছিল ? ইয়াৰ উত্তৰ

এয়াই যে তেখেত (ৰাঃ)য়ে এনেই নাম মনোনীত কৰা নাছিল বৰং প্ৰথমে চাহাবা (ৰাঃ)ৰ পৰা তেখেত (ৰাঃ)য়ে পৰামৰ্শ লৈছিল, তাৰ পিছত তেখেত (ৰাঃ)য়ে মছজিদত যায় আৰু লোকসকলক কয়, হে লোকসকল! মই চাহাবাসকলৰ পৰা পৰামৰ্শ লোৱাৰ পিছত মোৰ পিছত খলিফাৰ বাবে উমৰক পছন্দ কৰিছোঁ, তোমালোকেও এই খলিফা হোৱাত সন্মত আছে নে? সকলোৱে ঐক্যমত প্ৰকাশ কৰিলে, অৰ্থাৎ এইটোও এক ধৰণৰ নিৰ্বাচনেই আছিল; পাৰ্থক্য কেৱল ইমানখিনি যে খলিফাক খফাৰ মৃত্যুৰ পিছত নিৰ্বাচিত কৰা হয়, কিন্তু হজৰত উমৰ (ৰাঃ)ক হজৰত আবু বক্কৰ (ৰাঃ)ৰ উপস্থিতিত খলিফা নিৰ্বাচিত কৰা হয়।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ ৰোগ আৰু মৃত্যুৰ উল্লেখ ইতিহাস তিবৰীত পোৱা যায় যে তেখেত ৰোগত আক্ৰান্ত হোৱাৰ কাৰণ এয়াই আছিল যে ৭ জমাদিল আখিৰ সোমবাৰ দিনা তেখেত (ৰাঃ)য়ে গোচল কৰে, সেই দিন অতি মাত্ৰা ঠাণ্ডা হোৱাৰ কাৰণে তেখেত (ৰাঃ)ৰ জ্বৰ হয় যি পোন্ধৰ দিনলৈকে থাকে পৰিস্থিতি এনেকুৱা হয় যে তেখেত (ৰাঃ)য়ে নামাজৰ বাবে বাহিৰলৈ যোৱাৰো যোগ্যতা নাৰাখে। তেখেত (ৰাঃ)য়ে আদেশ দিলে যে হজৰত উমৰ (ৰাঃ)য়ে নমাজ পঢ়াই থাকিব। লোকসকলে দেখা-শুনা কৰাৰ বাবে আহি থাকিল, কিন্তু তেখেতৰ শাৰীৰিক অৱস্থা দৈনন্দিন বেয়া হ’ব ধৰিলে; সেই দিনবোৰতে তেখেত (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)য়ে দিয়া ঘৰতে অৱস্থান কৰিছিল (যি হজৰত উছমান বিন আফ্‌ফান ৰাঃ ৰ ঘৰৰ সন্মুখতেই আছিল) অসুস্থ থকা অৱস্থাত বেছিভাগ দেখা-শুনা হজৰত উছমান (ৰাঃ)য়েই কৰিছিল। কোনোবাই তেখেত (ৰাঃ)ক কয় যে আপুনি ডাক্তৰক মাতি দিয়ক ভাল হ’ব, তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে কয় ডাক্তৰে মোক দেখিছে, লোকসকলে সুধিলে ডাক্তৰে কি কৈছে? কয় তেওঁ এয়াই কৈছে যে মই যি ইচ্ছা কৰো সেয়াই কৰো। অৰ্থ এইটোৱে আছিল যে আল্লাহ তা’লাৰ এতিয়া এয়াই ইচ্ছা যে মোক মোৰ প্ৰভুৰ ফালে মাতিব যাৰ কাৰণে কোনো ডাক্তৰৰ প্ৰয়োজন নাই।

তেখেত (ৰাঃ)য়ে মঙ্গলবাৰ দিনা আবেলি ২২ জমাদিল আখিৰ তাৰিখত তেৰ হিজৰীত ৬৩ বছৰ বয়সত মৃত্যু বৰণ কৰে। তেখেত (ৰাঃ)ৰ খিলাফত কাল দুই বছৰ তিনি মাহ দহ দিন আছিল। তেখেতৰ মুখৰ পৰা যি শেষ শব্দাৱলী আছিল সেয়া কোৰাণ কৰিমৰ এই পৱিত্ৰ আয়াত,

(12:102) تَوَفَّنِيْ مُسْلِمًا وَّاَلْحِقْنِيْ بِالصّٰلِحِيْنَ ۝١٠٢

অৰ্থাৎ মোক আনুগত্য অৱস্থাত মৃত্যু দিয়া আৰু মোক পুণ্যবান সকলৰ দলত অন্তৰ্ভুক্ত কৰা। তেখেতৰ আঙুঠিৰ আৰ্হি আছিল نِعْمَ الْقَادِرُ اللّٰهُ অৰ্থাৎ কিমান ক্ষমতাবান আল্লাহ তা’লা।

হজৰত আয়শা (ৰাঃ)য়ে কৈছে, হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছে, মোৰ কফন দফনৰ পিছত চাব যে কোনো বস্তু বৈ যোৱা নাইতো,যদি বৈ যায় সেয়া উমৰ (ৰাঃ)লৈ পঠাই দিব। কফন দফন সম্বন্ধে কয় যে সেই সময়ত যি কাপোৰ শৰীৰত আছে সেইবোৰক ধুই বেলেগ কাপোৰৰ সৈতে কফন কৰিব। হজৰত আয়শা (ৰাঃ)য়ে কয় যে এইটো পুৰণি কাপোৰ, কফনৰ বাবে নতুন কাপোৰ হোৱা উচিত। কৈছে, জীৱিত মৃতৰ তুলনাত নতুন কাপোৰৰ বেছি অধিকাৰ ৰাখে।

হজৰত আয়শা (ৰাঃ)য়ে কয়, তেখেত (ৰাঃ)য়ে অচিয়ত (উইল) কৰিছিল যে তেখেত (ৰাঃ)ৰ স্ত্ৰী হজৰত আছমা বিনতে উমায়ছ তেখেত (ৰাঃ)ক গোচল কৰোৱাব, হজৰত আবু বক্কৰ (ৰাঃ)ৰ চাহাবজাদা হজৰত আব্দুৰ ৰহমানে তাইৰ সৈতে সহায় কৰে। তেখেতৰ কফন দুখন কাপোৰেৰে অন্তৰ্ভুক্ত তাৰ মাজৰ এখন গোচল দিয়াৰ বাবে ব্যৱহাৰ হৈছিল, এইটোও ৰিৱায়ত আছে যে তিনিটা কাপোৰেৰে কফন কৰা হৈছে, তাৰ পিছত তেখেত (ৰাঃ)ক নবী কৰিম (ছাঃ)ৰ বিছনাত ৰখা হয় (য’ত হজৰত আয়শা ৰাঃ য়ে

শুবলৈ ব্যৱহাৰ কৰিছিল) সেই বিছনাখনতেই তেখেত (ৰাঃ)ৰ জানাজা উঠোৱা হয় আৰু হজৰত উমৰ (ৰাঃ)য়ে ৰছুলুল্লাহ (ছাঃ)ৰ কবৰ আৰু মেম্বৰৰ মাজ ভাগত তেখেত (ৰাঃ)ৰ জানাজা নামাজ পঢ়োৱায় আৰু ৰাতিৰ সময়ত সেই কোঠাতে ৰছুলে কৰিম (ছাঃ)ৰ কবৰৰ কাষতে দফন কৰা হয়। তেখেত (ৰাঃ)ৰ মূৰ ৰছুলে কৰিম (ছাঃ)ৰ কান্ধৰ বিপৰীতত ৰখা হয়। দফন কৰা সময়ত হজৰত উমৰ বিন খাত্তাব (ৰাঃ), হজৰত উছমান বিন আফ্‌ফান (ৰাঃ), হজৰত তালহা বিন উবেয়দুল্লাহ (ৰাঃ) আৰু আব্দুৰ ৰহমান বিন আবু বক্কৰ (ৰাঃ) কবৰত নামে আৰু দফন কৰে।

তেখেত (ৰাঃ)ৰ চাৰিজনী স্ত্ৰী আছিল। কুতায়লা বিনতে আব্দুল উজা (মাতৃ হজৰত আব্দুল্লাহ ৰাঃ আৰু হজৰত আছমা ৰাঃ) হজৰত উম্মে ৰুমান বিনতে আমিৰ ( মাতৃ হজৰত আব্দুৰ ৰহমান আৰু হজৰত আয়শা ৰাঃ), হজৰত আছমা বিনতে উমেছ (মাতৃ মহম্মদ বিন আবু বক্কৰ ৰাঃ), আৰু হজৰত হাবিবা বিনতে খাৰিজা (মাতৃ হজৰত উম্মে কলছুম যাৰ জন্ম হজৰত আবু বক্কৰ ৰাঃৰ মৃত্যুৰ পিছত হয়)।

তেখেত (ৰাঃ)ৰ যেতিয়াই কোনো বিষয় সন্মুখলৈ আহিছিল আৰু ৰায় পৰামৰ্শৰ দৰকাৰ হৈছিল তেতিয়া তেখেত (ৰাঃ)য়ে মুহাজিৰিণ সকলৰ মাজৰ পৰা কিছুমান নিৰ্বাচিত চাহাবাসকলক মাতি লৈছিল বা কেতিয়াবা অনেক সংখ্যাত মুহাজিৰিণ আৰু আনছাৰ সকলক একগোট কৰি লৈছিল। তেখেত (ৰাঃ)ৰ মহান চাহাবাসকলৰ পৰামৰ্শ অনুযায়ী এটা ঘৰ বায়তুল মাল নামে নিৰ্ধাৰিত কৰি দিছিল। যেতিয়া আপুনি খলিফা নিৰ্বাচিত হয় তেতিয়া তেখেতৰ প্ৰয়োজনীয়তাৰ বাবে (মাহেলি তিনি হাজাৰ দিৰহাম বা মুঠ খিলাফত কালতে ছয় হাজাৰ দিৰহাম) অজিফা বায়তুল মালৰ পৰা নিৰ্ধাৰিত কৰে। তেখেত (ৰাঃ)য়ে প্ৰথমে হাকিম আছিল যাৰ কাৰণে তেওঁক খৰচ কৰাৰ বাবে অনুমোদন দিছিল। কিতাপ ছিৰতত এয়া পোৱা যায় যে তেখেতে বায়তুল মালৰ পৰা নিজৰ পৰিয়াল বৰ্গৰ প্ৰয়োজনীয়তাৰ বাবে অজিফা লৈছিল, কিন্তু মৃত্যুৰ সময়ত গোটেই ৰাশি ওভতাই দিয়ে। তেখেত (ৰাঃ)য়ে মুহকামা কাজা (ন্যায় বিভাগ) আৰু সাধাৰণ মুছলমান সকলৰ সুবিধাৰ্থে মুহকামা ইফতা প্ৰতিষ্ঠিত কৰে, তেখেতৰ খিলাফত কালতে নিজামে দিৱান প্ৰতিষ্ঠিত হোৱা নাছিল, কিন্তু চৰকাৰী আদেশ আৰু চুক্তিসমূহ আৰু আন আন লিখিত কামবোৰৰ বাবে কিছুমান ব্যক্তি নিযুক্ত আছিল।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ সময়ত কোনো নিয়মিত ৰূপত কোনো সেনাৰ ব্যৱস্থা নাছিল,যুদ্ধৰ সময়ত প্ৰত্যেক জন মুছলমানে যুদ্ধ কৰিছিল। সেনাসকলৰ ভাগ কবিলা অনুযায়ী হৈছিল। প্ৰত্যেক কবিলাৰ আমিৰ পৃথক পৃথক আৰু সেই সকলো আমিৰৰ এজন আমিৰ পদত নিযুক্ত হৈছিল যি তেখেত (ৰাঃ)য়ে উদ্ভাৱন কৰিছিল। তেখেত (ৰাঃ)য়ে যুদ্ধলৈ যোৱাসকলক আৰু সেনাবাহিনীৰ কমাণ্ডৰক হিদায়ত দিছিল, এই দৃষ্টি কোণত হুজুৰ আনোৱাৰ (আইঃ)য়ে তেখেত (ৰাঃ)ৰ সেনা উছামা (ৰাঃ)ৰ ক সম্বোধন কৰি উপদেশ সমূহৰ বৰ্ণনা কৰে লগতে হজৰত এজিদ বিন আবু ছুফিয়ান (ৰাঃ)ক ছিৰিয়াৰ যুদ্ধৰ বাবে প্ৰেৰণ কৰি উপদেশ দিয়ে আৰু স্মাৰক কৰোৱায় যে এইবোৰৰ উল্লেখ মই যোৱা এটা খোতবাত কৰিছোঁ, কিছুমান গুৰুত্বপূৰ্ণ কথাবোৰৰ সাৰাংশ দ্বিতীয়বাৰ বয়ান কৰি আছো, হুজুৰ আনোৱাৰ (আইঃ)য়ে কয়, এইবোৰ বৰ আৱশ্যকীয় আৰু পদবীদাৰ সকলে স্মৰণ ৰাখিবলগীয়া কথা হয় আৰু এইবোৰৰ ওপৰত কাৰ্যকৰী হোৱাতেই কল্যাণ নিহিত।

তেখেত (ৰাঃ)য়ে কৈছে যে আল্লাহৰ প্ৰতি তাকৱাক বাধ্যতামূলক কৰি লোৱা সেইজনাই তোমালোকৰ অন্তৰক দেখে যেনেকৈ বাহ্যিকতাক দেখে। লোকসকলৰ মাজত সকলোতকৈ বেছি আল্লাহৰ নৈকট্যপ্ৰাপ্ত ব্যক্তি সেইজন যিয়ে নিজৰ কৰ্মৰ দ্বাৰা সকলোতকৈ বেছি সেইজনাৰ নৈকট্যপ্ৰাপ্ত হয়। অজ্ঞতা আৰু পক্ষপাতৰ পৰা বাচি থাকিবা। আল্লাহৰ এই কথাসমূহ একেবাৰে অপছন্দ। আকৌ কৈছে তুমি নিজৰ

সেনাসকলৰ সৈতে ভাল আচৰণ কৰিবা সিহঁতৰ ওচৰত উত্তম আচৰণৰ সৈতে উপস্থিত হ'বা। যেতিয়া সিহঁতক উপদেশ দিয়া তেতিয়া সংক্ষিপ্ত কৰিবা কাৰণ অধিক আলোচনা কৰাত বহু কথাসমূহক পাহৰি পেলায়। তুমি নিজৰ প্ৰবৃত্তিক পৱিত্ৰ ৰখা তেতিয়া লোকসকলেও তোমাৰ আদৰ্শ চাই শুদ্ধ হৈ যাব। আৰু নামাজক নিৰ্ধাৰিত সময়ত ৰুকু আৰু ছিজদাক সম্পূৰ্ণ কৰি আদায় কৰিবা। আকৌ কয় যে যেতিয়া শত্ৰুৰ ৰাষ্ট্ৰদূত তোমাৰ ওচৰলৈ আহিব তেতিয়া সিহঁতক সন্মান কৰিবা। সিহঁতক কম সময় অৱস্থান কৰিবলৈ দিবা, সিহঁতক নিজৰ কামৰ বিষয়ে অৱগত নকৰিবা। নিজৰ মানুহক সিহঁতৰ সৈতে কথা পাতিবলৈ নিষেধ কৰিবা। যেতিয়া তুমি কোনোবাৰ পৰা পৰামৰ্শ বিচৰা তেন্তে গোটেই সমূহ কথা কৈ পৰামৰ্শ কৰিবা। উপদেষ্টাৰ পৰা নিজৰ খবৰসমূহ গোপনে নাৰাখিবা নতুবা তোমাৰ কাৰণেই তোমাৰ ক্ষতি হ'ব। কৈছে যে ৰাতিৰ সময়ত নিজৰ বন্ধুসকলৰ সৈতে কথা পাতিবা। আবেলি সময়ত বৈঠক বহা আৰু তাৰ পৰা লোক নিৰ্বাচন কৰা আৰু সিহঁতৰ সৈতে কথা পাতা তুমি খবৰ জানিব পাৰিবা। বিনা সংবাদ হঠাতে সিহঁতৰ পহৰাদাৰৰ বিষয়ে অৱগত হোৱাৰ বাবে নিৰীক্ষণ অতি জৰুৰী। যাক সুৰক্ষিত কৰাত গাফেল পায় তেওঁক ভালদৰে সতৰ্ক কৰিবা। আকৌ কৈছে শাস্তি দিওঁতে ততাতৈয়া নকৰিবা, আৰু নে অগ্ৰাহ্য কৰিবা; নিজৰ সেনাৰ পৰা গাফেল নাথাকিবা, সদায় লোকসকলৰ অনুসন্ধান আৰু চোৰাংচোৰাগিৰি নকৰিবা কাৰণ এনেকুৱা কৰিলে সিহঁতৰ অপমান হয়। সিহঁতৰ ৰহস্যমূলক কথা যি তুমি জানিব পাৰিবা অইন কোনোবাৰ সন্মুখত বয়ান নকৰিবা। অযথা লোকসকলৰ সৈতে উঠা-বহা নকৰিবা; সত্য আৰু সহানুভুতিশীল মানুহৰ সৈতে উঠা-বহা কৰিবা। কাপুৰুষ নহ'বা নতুবা লোকসকলেও কাপুৰুষ হৈ যাব। যুদ্ধলব্ধ সামগ্ৰীত বিশ্বাসঘাতকতা নকৰিবা, এনে কৰিলে নিৰ্ভৰশীলতাৰ কাষতীয়া হৈ পৰিবা যাৰ ফলত বিজয় আৰু সাহায্যৰ পৰা বাধা প্ৰদান হয়। এই বহু কথা যি মই বয়ান কৰিলোঁ তাৰ মাজত কিছু নতুন কথা যি সেনা অফিচাৰৰ বাহিৰে আমাৰ পদবীদাৰ সকলৰ বাবে জৰুৰী যাৰ প্ৰতি সিহঁতে মনোযোগ আকৰ্যণ সৃষ্টি হোৱা উচিত তেতিয়াই কামত বৰকত হ'ব।

তেখেত (ৰাঃ)ৰ খিলাফত কালত ইছলামীক চহৰবোৰ বিভিন্ন ৰাজ্যত বিভক্ত কৰা হৈছিল তাতে তেখেত (ৰাঃ)য়ে আমিৰ আৰু গভাৰ্ণৰ নিযুক্ত কৰিছে। মদিনা সিহঁতৰ কেন্দ্ৰস্থল আছিল য'ত তেখেতে খলিফা হিচাপে আছিল। তেখেত (ৰাঃ)য়ে নবী কৰিম (ছাঃ)ৰ ছুন্নত অনুযায়ী কোনো জাতিত গভাৰ্ণৰ নিযুক্ত কৰিছিল এই কথাৰ প্ৰতি লক্ষ্য ৰাখি যে যদি সেই জাতিত যিজন নেক আৰু পুণ্যবান আছিল তেওঁকেই গভৰ্ণৰ নিযুক্ত কৰিছিল,আমিলিনৰ নিৰ্বাচনত প্ৰাথমিকতে ইছলামক দেখা গৈছিল আৰু এনেকুৱা ব্যক্তিক নিযুক্ত কৰিছিল যিয়ে নবী কৰিম (ছাঃ)ৰ পৰা প্ৰশিক্ষণপ্ৰাপ্ত আছিল। কেতিয়াও বংশধৰৰ বা আত্মীয়স্বজনৰ প্ৰতি লক্ষ্য ৰাখি সিহঁতক নিযুক্ত কৰা নাছিল। এই কঠোৰ নিয়ম আৰু উচ্চ পৰ্যায়ৰ ফলাফল এয়া আছিল যে তেখেত (ৰাঃ)ৰ নিযুক্ত কৰা কাৰ্যকৰী কমিটি আৰু হাকিমে সৰ্বদা নিজৰ দক্ষতা ইছলামৰ উন্নতিকল্পে আৰু মুছলমানসকলৰ সেৱাৰ বাব প্ৰয়োগ কৰিছে। এই বয়ান অব্যাহত থাকিব, পৰৱৰ্তীত ইনশা আল্লাহ তা'লা বয়ান কৰিম।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ۔ عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِی الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

.......................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**